# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 18-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::::**

দেশৰ নিৰ্বাচন আয়োগে সমগ্ৰ দেশতে নিৰ্বাচনী ব্যৱস্থাৰ সু-পৰিচালনাৰ বাবে ২৩টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নিৰ্দেশমৰ্মে আজি দিছপুৰৰ ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সন্মিলন কক্ষত আয়োজিত এটা বিশেষ অনুষ্ঠানত নিৰ্বাচন আয়োগৰ যুটীয়া সঞ্চালক অনুজ চন্দক আৰু সহকাৰী সঞ্চালক অপূৰ্ব কুমাৰে এই নতুন পদক্ষেপসমূহৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। এই অনুসৰি এতিয়াৰে পৰা সকলোবোৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাসকলৰ মোবাইল ফোন ৰখাৰ ব্যৱস্থা থাকিব। কোনো এটা ভোটগ্ৰহণ কেন্দ্ৰতে ভোটদাতাৰ সংখ্যা এহেজাৰ ২০০তকৈ অধিক নহ'ব। মৃত ভোটদাতাৰ তথ্য ভাৰতৰ মহাপঞ্জীয়কৰ তথ্য ভাণ্ডাৰৰ সৈতে যুক্ত কৰি ৰিজাই চোৱা হ'ব। তদুপৰি মহানগৰসমূহৰ বহুমহলীয়া আৱাসিক অঞ্চলসমূহতো ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াৰ লগতে ই চি আই নেট নামৰ ৱেবছাইট আৰু এপত সকলো তথ্য একত্ৰিত কৰাৰ ব্যৱস্থা কৰা হ'ব।

০০০০

২০২৯ চনৰ ভিতৰত অসমত ৩০খন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি ৰাজ্যখনক চিকিৎসা আৰু স্বাস্থ্য সেৱাৰ দিশত শক্তিশালী কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই মন্তব্য কৰে। এই অনুষ্ঠানতে  তৃণমূল পৰ্যায়ৰ পৰা মানসম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ প্ৰচেষ্টাৰ অংশ হিচাপে ৰাজ্য চৰকাৰে ৪০০ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি পত্ৰও প্ৰদান কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে নৱনিযুক্ত বিষয়াসকলে চৰকাৰী চাকৰি লাভৰ সপোন বাস্তৱায়িত কৰাৰ লগতে উন্নত স্বাস্থ্য সেৱা প্ৰদানত সহায় কৰিব। বিগত কেইবছৰমানত স্বাস্থ্য সেৱাৰ দিশত লাভ কৰা সাফল্য হিচাপে প্ৰসূতি মাতৃ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস হৈছে বুলিও ড০ শৰ্মাই উল্লেখ কৰে।

০০০০

দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অনন্তৰ্গত গৰুখুটি কৃষি প্ৰকল্পৰ ভূমিত অবৈধভাৱে বাস কৰি থকা পৰিয়ালসমূহৰ স্থানান্তৰ প্ৰক্ৰিয়াৰ আজি সামৰণি পৰে। জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ তত্বাৱধানত দৰং জিলা প্ৰশাসন আৰু ছিপাঝাৰ সম জিলা প্ৰশাসনে স্থানান্তৰ কাৰ্য শান্তিপূৰ্ণভাৱে সম্পন্ন কৰা বুলি আমাৰ

সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে, গৰুখুটি কৃষি প্ৰকল্পত ২০২২-২৩ চনৰে পৰা অবৈধভাৱে বাস কৰা পৰিয়ালসমূহৰ স্থানান্তৰৰ কাম-কাজ চলি আছিল। আমাৰ সংবাদদাতাই জনোৱা মতে, কৃষি প্ৰকল্পত ২০২২-২৩ চনৰ পৰা বৰ্তমানলৈকে মুঠ ২ হেজাৰ ১৬৬ টা পৰিয়াল স্থানান্তৰ কৰা হয়। উল্লেখযোগ্য যে ২০২২-২৩ বৰ্ষত এহেজাৰ ১৬৭ টা, ২০২৪ বৰ্ষত ৭০০ টা আৰু ২০২৫ বৰ্ষত ২৯৯ টা পৰিয়াল স্থানান্তৰ কৰাৰ ফলত মুঠ ৭ হাজাৰ ৮৫৩ বিঘা ভূমি মুকলি হয়। জিলা আয়ুক্তগৰাকীয়ে গৰুখুটি কৃষি প্ৰকল্পত উপস্থিত হৈ সমগ্ৰ স্থানান্তৰ প্ৰক্ৰিয়াৰ পৰ্যবেক্ষণ কৰে। তেওঁ লগতে এই কাৰ্য সুকলমে সম্পন্ন কৰাৰ বাবে সংশ্লিষ্ট বিভাগসমূহক ধন্যবাদ জ্ঞাপন কৰে।

০০০০

১৯২৬ চনত পাঠশালাত স্থাপন কৰা বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে অহা বছৰ শতবৰ্ষত ভৰি দিব। আজি বিদ্যালয়ৰ প্ৰাঙ্গনত শতবৰ্ষ উদ্‌যাপনৰ বাবে কাৰ্যালয়ৰ উপ সমিতিৰ দ্বাৰা এটি কাৰ্যালয় মুকলি কৰা হয়। শতবৰ্ষৰ সকলো কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰাৰ উদ্দেশ্যে কাৰ্যালয়টো উদযাপন সমিতিৰ সভাপতি তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আনুষ্ঠানিকভাৱে মুকলি কৰে। কাৰ্যালয় মুকলিৰ পাছত দ্বিতীয়খন কৰ্ণধাৰ সমিতিৰ বৈঠকত ১৭ খন উপ সমিতি গঠন কৰাৰ লগতে ২০২৬ চনৰ জানুৱাৰী মাহৰ শেষৰ ভাগত শতবৰ্ষ উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০

বাক্সা জিলাৰ খাৰুৱাজানত আজি বড়োলেণ্ড হস্ততাঁত মিছনৰ বাৰ্ষিক শিপিনীসভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি বড়োলেণ্ড হস্ততাঁত মিছনৰ শিপিনীসকলে তাঁতশালত প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ কাপোৰ সংৰক্ষণ তথা প্ৰচাৰৰ উদ্দেশ্যে চেণ্টাৰ ফৰ এক্সেলেন্স নামৰ এটা কেন্দ্ৰ উদ্বোধন কৰা হয়। হস্ততাঁত আৰু বস্ত্ৰশিল্প মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই এই কেন্দ্ৰটো উদ্বোধন কৰি কয়, যে বিদেশলৈ আমাৰ শিপিনীয়ে প্ৰস্তুত কৰা কাপোৰবোৰ ৰপ্তানী কৰিবলৈ হলে কাপোৰৰ মানদণ্ড উন্নত কৰিব লাগিব। আজিৰ অনুষ্ঠানত বিভাগীয় কৰ্তৃপক্ষৰ লগতে বিটিআৰৰ ৫ সহস্ৰাধিক শিপিনী উপস্থিত থাকে।

০০০০

বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰা ১১ সংখ্যক আন্তৰ্জাতিক যোগ দিৱসৰ প্ৰস্তুতিৰ বিষয়ে আজি বিটিআৰ প্ৰধান প্ৰমোদ বড়োই বুজ লয়। অহা ২১ জুনত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। শালবাৰীত আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপনৰ সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰীগৰাকীক প্ৰমোদ বড়োয়ে ধন্যবাদ জ্ঞাপন কৰে।

০০০০

বিশ্বনাথ জিলাৰ পূৱ বিহালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰমেন ফুকনৰ আজি এখন ব্যক্তিগত খণ্ডৰ হাস্পতালত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি বৃক্কৰোগত আক্ৰান্ত হৈ থকা অধ্যক্ষগৰাকীৰ মৃত্যুত পূৱ বিহালী সাহিত্য সভা, বিশ্বনাথ জিলা আৰু বিহালী প্ৰেছ ক্লাৱ, বাৰ্তাজীৱি সংঘৰ লগতে কেইবাটাও দল সংগঠনে শোক প্ৰকাশ কৰে।

০০০০

সমাপ্ত